**FACULTY HIGHER SECONDARY SCHOOL**
**SAMPLE PAPER (2019 _2020)**
**SUBJECT ---ASSAMESE**
**CLASS _ VIII**

**(ক অংশ ১০)**

**(১) তলত দিয়া দফাটো মনোযোগেৰে পঢ়া আৰু প্ৰশ্ন বোৰৰ উত্তৰ দিয়া ।**
**প্ৰতি বছৰে ডিচেম্বৰ মাহৰ পঁচিশ তাৰিখে পৃথিৱীৰ সকলো ঠাইতে খ্ৰীষ্টান ধৰ্মী লোক সকলে উলহ - মালহেৰে খ্ৰীষ্টমাছ বা বৰদিন উদযাপন কৰে । এই বৰদিন খ্ৰীষ্টধৰ্মৰ প্ৰৱৰ্তক যীশুখ্ৰীষ্টৰ জন্ম দিৱস বুলি বিশ্বাস কৰা হয় । যীশু হ'ল মানুহৰ ত্ৰাণকৰ্তা , প্ৰেম ,দয়া , ক্ষমা , আৰু সততাৰ বাণী বিলাই ফুৰা এজন মহৎ লোক । এই যীশুখ্ৰীষ্টই খ্ৰীষ্টধৰ্মৰো প্ৰৱৰ্তক । যীশুৰ ধৰ্ম বিশ্বাস অনুসৰি মানুহ হৈছে ঈশ্বৰৰ সন্তান , গতিকে ইজনে সিজনৰ ভ্ৰাতৃৰ দৰে থাকিব লাগে ।**

**খ্ৰীষ্টানসকলে বৰদিনৰ কিছুদিন আগৰে পৰাই ঘৰ - দুৱাৰ পৰিষ্কাৰ কৰি ৰঙীন কাগজ , ফুল-লতা -পাত আদিৰে ঘৰখন সুন্দৰকৈ সজায় । খ্ৰীষ্টমাছ ট্ৰী সাজে , সন্ধিয়া মমবাতি বা বিজুলী চাকিৰে সজাই দুৱাৰ মুখত ৰঙীন কাগজৰ তৰা ওলোমাই ৰাখে । বৰদিনৰ উৰুকাৰ দিনা "খ্ৰীষ্টমাছ ইভ " বুলি কোৱা হয় ।বৰদিনৰ দিনা গীৰ্জা ঘৰত সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠিত হয় । সকলোৱে প্ৰভু যীশুক স্মৰণ কৰি জনকল্যাণৰ আশিস মাগে । ঘৰে ঘৰে জুতি লগা খাদ্য আৰু কেক -- মিঠাই প্ৰস্তুত কৰা হয় । পৰিয়ালৰ ইজনে -- সিজনক , বন্ধু -- বান্ধৱক উপহাৰ দিয়ে । সমৰ্থবান সকলে দুখীয়া লোককো উপহাৰ দিয়ে ।**

**বৰদিনৰ সৈতে "ছান্টাক্লজৰো "সম্পৰ্ক আছে । বগা দাড়ি , ৰঙা হলৌ চোলা আৰু টুপীৰে এই বৃদ্ধ লোকজনৰ ছবিখন আমাৰ সকলোৰে চিনাকি ।**

| | |
|---|---|
| **(ক) কোন তাৰিখে বৰদিন উদযাপন কৰা হয় ?** | **(১)** |
| **(খ) কাৰ জন্ম দিৱসত এই উৎসৱ পালন কৰা হয় ?** | **(১)** |
| **(গ) কাক মানুহৰ ত্ৰাণকৰ্তা বুলি কয় ?** | **(১)** |
| **(ঘ)খ্ৰীষ্টান সকলে বৰদিনৰ সময়ত তেওঁলোকৰ ঘৰ কেনেদৰে সজায় ?** | **(১)** |
| **(ঙ) বৰদিনৰ উৰুকাৰ দিনা কি বুলি কোৱা হয় ?** | **(১)** |
| **(চ) বৰদিনৰ দিনা সমূহীয়া প্ৰাৰ্থনা ক'ত অনুষ্ঠিত কৰা হয় ?** | **(১)** |
| **(ছ) বৰদিনৰ দিনা খ্ৰীষ্টান সকলে কি কি কৰে ?** | **(২)** |
| **(জ) বৰদিনৰ সৈতে কাৰ সম্পৰ্ক আছে আৰু তেওঁৰ বিৱৰণ দিয়া ?** | **(২)** |

**( খ অংশ---২০)**

**(২) তলত দিয়া সংকেত বাক্য বোৰৰ আলমত এটা গল্প লিখি শিৰোনামা দিয়া । (১+৩+১=৫)**
**ধূৰ্ত শিয়াল -------- হাঁহ ধৰিবলৈ চোপ লৈছিল --------- গৃহস্থৰ খেদাত পলাল ---------- ধোবাৰ চোতালৰ নীলৰ চৰুত পৰিল --------- ৰজা হ'ল ----------- হোৱা দি ধৰা পৰিল ----------- সিংহ , বাঘ আদিয়ে মাৰি পেলালে ।**

শিয়াল ৰজা হৈছিল

------------------------------

এদিন ধূৰ্ত শিয়াল এটাই মানুহৰ ঘৰত হাঁহ ধৰিবলৈ চোপ লৈ আছিল । দৈবাৎ সি গিৰিহঁতৰ চকুত পৰাত গিৰিহঁতে হাতত টাঙোন লৈ তাৰ পিনে চোঁচা ল'লে । ধূৰ্ত শিয়ালটোৱে তৰা --নৰা চিঙি দৌৰিবলৈ ধৰিলে । দৌৰৰ বেগত সি ধোবাৰ চোতালত থকা নীলৰ চৰুত পৰিলগৈ আৰু নীলবৰণীয়া হৈ পৰিল । সেই নীল বৰণেৰে হাবিত সোমোৱাত অইন জন্তুবোৰে তাক বেলেগ প্ৰজাতিৰ জন্তু বুলি ভাবি ৰজা পাতিলে । ৰজা হৈ সি মহা সুখত কাল কটাবলৈ ধৰিলে ।

এদিন গধূলি সময়ত তাৰ লগৰীয়া শিয়াল বোৰে "হোৱা" দি আছিল । সেই "হোৱা" শুনি সি নিজৰ কথা পাহৰি "হোৱা" দিওঁতে ধৰা পৰিল । সিংহ , বাঘ আদি হিংস্ৰ জন্তুবোৰে খঙত জ্বলি -- পকি ধূৰ্ত শিয়ালটোক মাৰি পেলালে । ধূৰ্তালি , ঠগ --প্ৰবঞ্চনাৰ পৰিণাম ভীষণ হয় ।

নাইবা

(খ) তলৰ যিকোনো বিষয়ৰ ওপৰত এখন ৰচনা লিখা । (৫)

I) পৰিৱেশ প্ৰদূষণ ।

ক) আৰম্ভণি , খ) পৰিৱেশ প্ৰদূষণৰ অৰ্থ ,গ) পৰিৱেশ কেনেকৈ প্ৰদূষিত হৈছে ,ঘ) পৰিৱেশ প্ৰদূষণমুক্ত কৰাৰ উপায় , ঙ) সামৰণি ।

II) অসমৰ প্ৰাকৃতিক দুৰ্যোগ ।

ক) প্ৰাকৃতিক দুৰ্যোগ কাক বোলে ? খ) প্ৰাকৃতিক দুৰ্যোগ ৰোধ কৰিব পাৰিনে ?

(৩) ভাব বহলাই লিখা । ( যিকোনো এটা ) (৫)

ক) উলুৰ লগত বগৰী পোৰা যায় ।

খ) ৰাইজে নখ জোকাৰিলে নৈ বয় ।

(৪) গৰমৰ বন্ধ কেনেকৈ কটালা সেই বিষয়ে জনাই বন্ধুলৈ এখন চিঠি লিখা । (৫)

(৫) বাক্য ৰচনা কৰা । (১×৫=৫)

ক) মুকুতা , খ) ৰামসিংহ , গ) ইহুদী , ঘ) বুদ্ধ , ঙ) পৰিৱেশ ।

(গ অংশ --২০)

(৬) সমাৰ্থক শব্দ লিখা । (১×২=২)

ক) টোপনি , খ) বেলি ।

(৭) বিপৰীত শব্দ লিখা । (১×২=২)

ক) হাঁহি , খ) দিন ।

(৮) দুটা তদ্ধৱ শব্দ লিখা । (১×২=২)

(৯) আচটনা শব্দবোৰৰ পদ নিৰ্ণয় কৰা । (১×২=২)
ক) ৰীতা আমাৰ ঘৰলৈ আহিছে ।
খ) দেউতাৰ বহুত খং উঠিছে ।

-------

(১০) পদ পৰিৱৰ্তন কৰা । (১×২=২)
ক) নগৰ , খ) সমাজ ।

(১১) এটা শব্দত প্ৰকাশ কৰা । (১×২=২)
ক) যাৰ ঘৰ বাৰী নাই ।
খ) একে মাকৰ সন্তান ।

(১২) তলত দিয়া শাৰী কেইটাৰ বাক্য নিৰ্ণয় কৰা । (১×২=২)
ক) মই স্কুললৈ যাওঁ ।
খ) ভাল ল’ৰা কাৰণেহে তেওঁ পুৰস্কাৰ পালে ।

(১৩) অৰ্ধ তৎসম শব্দ কাক বোলে লিখা আৰু লগতে দুটা অৰ্ধতৎসম শব্দৰ উদাহৰণ দিয়া ।
(২)
(১৪) সৰ্বনাম পদ কাক বোলে লিখা আৰু লগতে দুটা সৰ্বনাম পদৰ উদাহৰণ দিয়া । (২)
(১৫) যৌগিক বাক্য কাক বোলে লিখা আৰু লগতে এটা যৌগিক বাক্যৰ উদাহৰণ দিয়া । (২)

(ঘ অংশ--পদ্য ভাগ --১০)

(১৬) তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ উত্তৰটোত (✓) চিন দিয়া । (১×৪=৪)
ক) চন্দ্ৰকুমাৰ আগৰৱালাক অগ্নিকবি /প্ৰতিমাৰ খনিকৰ বোলা হয় ।
খ) বিংশ শতিকাৰ শ্ৰেষ্ঠ গীতি কবি জনৰ নাম যতীন্দ্ৰনাথ দুৱৰা/ যতীন দুৱৰা ।
গ)চন্দ্ৰকুমাৰ আগৰৱালাৰ জন্ম ১৯৩৮ / ১৮৬৭ চনত হয় ।
ঘ) বীণা মানে প্ৰাচীন ভাৰতৰ এবিধ খাদ্য / বাদ্য ।

(১৭) তলত দিয়া প্ৰশ্ন বোৰৰ উত্তৰ দুশাৰী বা তিনি শাৰী বাক্যত লিখা ।
(যিকোনো এটা ) (২×১=২)
ক) ফুলনিত কি ছিগি ৰৈ গ’ল ?
উত্তৰ = নিশাৰ ফুলনিত কোনোবা নৰ্তকীয়ে নৃত্য কৰিছিল বুলি কবিয়ে কল্পনা কৰিছে । নাচৰ চেওত সেই নৰ্তকীৰ ডিঙিৰ পৰা মণি ছিগি পৰিছিল । শেষত সেই ছিগা মণিয়েই নিয়ৰৰ টোপাল ৰূপে ফুলনিৰ মাজত ৰৈ গৈছিল ।
নাইবা
খ) মুকুতা মণিটি বুলি কবিয়ে কিহক বুজাইছে ?

(১৮) তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ চাৰীশাৰী বা পাঁচ শাৰী বাক্যত লিখা । (যিকোনো এটা )
(৪×১=৪)

ক) শংকৰদেৱে অসমীয়া সমাজৰ পৰা কি কি আঁতৰালে ?
উত্তৰ = শংকৰদেৱে অসমীয়া সমাজৰ পৰা ক্ষুদ্ৰ স্বাৰ্থ ,ভিন্ন ভাব , সৰু --বৰ আদি আঁতৰ কৰি সকলোকে একতাৰ ডোলেৰে বান্ধিছিল । সেই সময়ত অসমীয়া সমাজ খন হিংসা , খেয়াল ,অধৰ্ম , কু --সংস্কাৰ আদিৰে ভৰি পৰিছিল । আনকি ধৰ্মৰ নামত নৰবলি পৰ্যন্ত হৈছিল । শংকৰদেৱে ভক্তি ধৰ্মৰ সহায়ত অসমীয়া সমাজৰ পৰা সেই সকলোবোৰ আঁতৰ কৰিছিল ।
নাইবা

খ) নিয়ৰ কবিতাটিৰ মূলভাৱ লিখা ।

<u>(ঙ--অংশ -- গদ্য ভাগ ----২০)</u>

(১৯) তলত দিয়া প্ৰশ্ন বোৰৰ শুদ্ধ উত্তৰটোত (     ) চিন দিয়া । (১×৪=৪)

ক) দৈত্য / দেৱতা সকলৰ শাস্ত্ৰ খনৰ নাম বামানয় ।
খ) পৰনিৰ্ভৰশীলৰ / আত্মনিৰ্ভৰশীলৰ কাৰণে গঠন কৰা গোট বোৰকে আত্মসহায়ক গোট বুলি জনা যায় ।
গ) শৰাইঘাটৰ যুদ্ধত লাচিতৰ অধীনত একলাখ / দেৰলাখ সৈন্য আছিল ।
ঘ) উন্নতিৰ পথত কু --সংস্কাৰে বাধা নিদিয়ে / দিয়ে ।

(২০) তলত দিয়া প্ৰশ্ন বোৰৰ উত্তৰ দুশাৰী বা তিনি শাৰী বাক্যত লিখা । (২×৪=৮)
ক) আত্মসহায়ক গোট বোৰে দুখীয়া পৰিয়ালৰ মহিলা সকলক কেনেকৈ সহায় কৰে ?
উত্তৰ = আত্মসহায়ক গোটবোৰে দুখীয়া মহিলা সকলক কম সুতত ধন যোগান ধৰি স্বাৱলম্বনৰ বাট দেখুৱাই দিয়ে । তেওঁলোকে কাপোৰ বয় , হাঁহ -- কুকুৰা পালন কৰে । বিভিন্ন ধৰণৰ বেগ তৈয়াৰ কৰি , নিত্য ব্যৱহাৰ্য ভিন ভিন সামগ্ৰী বনাই , প্ৰদৰ্শনী পাতি সেইবোৰ বিক্ৰী কৰি পৰিয়ালক পোহ -- পাল দিব পাৰে ।

খ) "ধনগুলৈ" ৰ কেনেকৈ উৎপত্তি হয় চমুকৈ লিখা ।
গ) বামানয় শাস্ত্ৰ জ্ঞান ল’বলৈ প্ৰহ্লাদে কিয় আপত্তি কৰিছিল ?
ঘ) কোনোবাই যুদ্ধৰ কামত মন ইফাল -- সিফাল কৰে বুলি বীৰ লাচিত বৰফুকনে কামাখ্যা গোঁসানীলৈ সেৱা কৰি কি ঘোষণা কৰিছিল ?

**(২১) তলত দিয়া প্ৰশ্ন বোৰৰ উত্তৰ চাৰী শাৰী বা পাঁচ শাৰী বাক্যত লিখা ।**

**( যিকোনো দুটা ) (৪×২=৮)**

**ক) কি কাৰণত বিজ্ঞান শাস্ত্ৰক জ্ঞানৰ ভঁৰাল বুলি কোৱা হয় ?**

**উত্তৰ = বিজ্ঞান হৈছে কোনো এটা বিষয়ৰ প্ৰণালীবদ্ধ অধ্যয়ন ।বিজ্ঞান চৰ্চাৰ দ্বাৰা মানুহে নানা আচৰিত আচৰিত কাম কৰিবলৈ সক্ষম হৈছে । বিজ্ঞানৰ বলত মানুহে ৰেল , জাহাজ , টেলিগ্ৰাম , টেলিফোন ,ফনোগ্ৰাম ,ফটোগ্ৰাফ , গ্ৰামোফোন ,অণুবীক্ষণ , দূৰবীক্ষণ ,বৰ্তমান ওলোৱা নানা ধৰণৰ গাড়ী , মটৰ , নানা বিধ ঔষধ , নানা ধৰণৰ চিকিৎসা প্ৰণালী আদি আৱিষ্কাৰ কৰিছে । বিজ্ঞান চৰ্চাৰ ফলত প্ৰকৃতিত সংঘটিত হোৱা নানা ধৰণৰ পৰিঘটনাৰ কাৰণ জানিবলৈ সক্ষম হৈছে ।**

**গতিকে বিজ্ঞান শাস্ত্ৰক জ্ঞানৰ ভঁৰাল বুলি ক'ব পাৰি । ইয়াৰ চৰ্চাৰ দ্বাৰা মানুহৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি হয়।**

**খ)  যুদ্ধত জয় লাভ কৰিবলৈ হ'লে যুদ্ধৰ আহিলাৰ বাহিৰেও আৰু কিহৰ প্ৰয়োজন আছে লিখা ।**

**গ) ব্যাখ্যা লিখা ।**

**সেয়ে শৰাইঘাট নাই , কিন্তু শৰাইঘাট আছে ।**

××××××××××××××××××××××××××××××××××××××××××××××

